# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-07-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যসভাত এই সন্দৰ্ভত উত্থাপন কৰা প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত ৰাজ্যখনত ১৩ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হয়। সেই অনুসৰি ২০২৬ চনৰ ১৩ ফেব্ৰুৱাৰী পৰ্যন্ত মণিপুৰত ৰাষ্ট্ৰপতি শাসন বাহাল থাকিব। উল্লেখযোগ্য যে গোষ্ঠীগত সংঘৰ্ষক লৈ মণিপুৰৰ পৰিস্থিতি অস্থিৰ হৈ পৰাৰ পাছত যোৱা ৯ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰিছিল। ইয়াৰ চাৰিদিন পাছতে অৰ্থাৎ ১৩ ফেব্ৰুৱাৰীত কেন্দ্ৰই ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰে। সংবিধানৰ নীতি অনুসৰি ৰাষ্ট্ৰপতি শাসন প্ৰথম অৱস্থাত ছমাহৰ বাবে বলৱৎ কৰা হয় আৰু সংসদৰ অনুমোদনক্ৰমে ছমাহৰ ব্যৱধানত ৩ বছৰলৈ এই ম্যাদ বৃদ্ধি কৰিব পাৰি।

ooooo

১৯৯৯ চনৰ কাৰ্গিল যুদ্ধক সুঁৱৰি আজি দেশজুৰি কাৰ্গিল বিজয় দিৱস উদ্‌যাপন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানতো শ্বহীদ সেনা জোৱানসকলক সুঁৱৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটীৰ শিলপুখুৰীত থকা যুদ্ধ স্মাৰকত শ্বহীদ স্মৰণ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই অংশগ্ৰহণ কৰে। অনুষ্ঠানত বীৰ ছহিদ জিণ্টু গগৈৰ মাতৃক সম্বৰ্ধনা জনোৱা হয়। গোলাঘাট জিলাৰ খুমটাইত আজি দিনজোৰা কাৰ্যসূচীৰে কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হয়। জাচিংফা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু শ্বহীদ জিণ্টু গগৈৰ পৰিয়ালৰ সহযোগত শ্বহীদগৰাকীৰ সমাধিক্ষেত্ৰত এই দিৱস উদযাপন কৰা হয়। গোলাঘাট জিলাৰ প্ৰাক্তন সৈনিকসকলৰ লগতে খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই শ্বহীদ জিণ্টু গগৈৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়।

কাৰ্গিল যুদ্ধৰ শ্বহীদ শিলচৰৰ নন্দচান্দ সিংহৰ শ্বহীদবেদীত আজি মন্ত্ৰী কৌশিক ৰায়ৰ লগতে বিজেপিৰ নেতা-কৰ্মী তথা জনসাধাৰণে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মাত্ৰ ২২ বছৰ বয়সতে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ জোৱানগৰাকীৰ মাতৃক সম্বৰ্ধনা জনোৱা হয়।

বজালী জিলাৰ অকয়াত নন্দচুপা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত  গাঁওখনৰ প্ৰাক্তন সৈনিক আৰু স্থানীয় ৰাইজৰ সহযোগত কাৰ্গিল যুদ্ধত প্ৰাণ হেৰুওৱা বীৰ শ্বহীদসকলৰ সোঁৱৰণত বিজয় দিৱস পালন কৰা হয়। জিলাখনৰ বায়ুসেনাৰ প্ৰাক্তন সৈনিক বীৰেন সিংহই এগছি বন্তি প্ৰজ্বলেনেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ লগতে কাৰ্গিল বিজয় দিৱসৰ তাৎপৰ্য ব্যক্ত কৰে।

উল্লেখযোগ্য যে ১৯৯৯ চনত পাকিস্তান আৰু ভাৰতৰ মাজত হোৱা কাৰ্গিল যুদ্ধত ভাৰতে জয়লাভ কৰা আজি ২৬ বছৰ সম্পূৰ্ণ হৈছে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে আজি গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ড০ গৌড়ে কয়, যে অনুষ্ঠানসূচীত নতুনত্ব আনি নতুন প্ৰজন্মক আকৰ্ষিত কৰিব পাৰিলেহে আকাশবাণীৰ প্ৰাসংগিকতা থাকিব। আকাশবাণীৰ সংগীতানুষ্ঠানৰ দৰে অনুষ্ঠানসমূহ

মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত আয়োজন কৰিবলৈ সঞ্চালক প্ৰধানগৰাকীয়ে পৰামৰ্শ দিয়ে। নতুন নতুন অনুষ্ঠানেৰে শ্ৰোতাৰ সংখ্যা আৰু বিজ্ঞাপনৰ আয় বৃদ্ধি কৰাতো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান বুলি ড০ গৌড়ে মন্তব্য কৰে।

অসম আৰু মেঘালয়ত ৫ দিনীয়া ভ্ৰমণসূচীৰ অংশ হিচাপে সঞ্চালক প্ৰধানগৰাকীয়ে ইয়াৰ আগতে পৰহি মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। আজিৰ পুৱাৰ ভাগত তেওঁ কামাখ্যা মন্দিৰলৈ গৈ দেৱীৰ আশীষ গ্ৰহণ কৰে।

০০০০০

গুৱাহাটী মহানগৰৰ গুৰুত্বপূৰ্ণ অঞ্চলসমূহৰ ভিৰ হ্ৰাস কৰি মহানগৰখনৰ পৰিবহন ব্যৱস্থা সূচল কৰি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ফাঁচিবজাৰৰ পুৰণি কাৰাগাৰ চৌহদত ২ হেজাৰ ৭০০ বৰ্গকিলোমিটাৰ এলেকাজুৰি এটা পাৰ্কিং জ'ন নিৰ্মাণ কৰি আছে। এই ব্যৱস্থাই জনসাধাৰণক যান-জটৰ সমস্যাৰ পৰা সকাহ দিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীৰ যান-বাহন চলাচল ব্যৱস্থাৰ ইতিবাচক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে।

০০০০০

কোকৰাঝাৰ জিলাৰ গোসাইগাওঁ সংমণ্ডলৰ গুৰুফেলাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি হোৱা এটা পথ দুৰ্ঘটনাত ভূটানৰ কমেও ১০ জন নাগৰিক আহত হয়। চিৰাঙৰ ফালৰ পৰা গোসাইগাওঁ অভিমুখী ভূটানৰ যাত্ৰীবাহী বাছ এখনে চিমেণ্ট কঢ়িয়াই অনা এখন মিনি ট্ৰাকত খুন্দা মৰাৰ বাবে এই দুৰ্ঘটনাটো সংঘটিত হয়। আহত যাত্ৰীসকলক ততাতৈয়াকৈ ওচৰৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। যাত্ৰীসকল বিপদমুক্ত বুলি কোৱা হৈছে।

০০০০০

আচাম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল কোম্পানী লিমিটেডক ৰাজ্য চৰকাৰ আৰু অন্য সহযোগীসকলৰ যৌথ প্ৰচেষ্টাৰ কোম্পানী হিচাপে গঠন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ কয় যে, এই কোম্পানীটোৱে কেন্দ্ৰীয় চৰকাৰে ঘোষণা অনুযায়ী নামৰূপত এমোনিয়া ইউৰিয়া চৌহদ স্থাপনৰ সপোন বাস্তৱায়িত কৰাত সহায় কৰিব। এই প্ৰতিষ্ঠানে অসমক দেশৰ শীৰ্ষৰ ৫ খন ৰাজ্যৰ অন্যতমৰূপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত আৰু তামুলপুৰ প্ৰশাসনৰ সহযোগত বিধানসভা সমষ্টিভিত্তিত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সামৰণি পৰে। অসম নাট্য সন্মিলন, মনিকাঞ্চন কলাকেন্দ্ৰ, আলাইয়াৰণ হাৰিমু আফাদ, জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চৰ সহযোগত আয়োজিত এই গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠানত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে আদৰণি ভাষণ আগবঢ়ায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নাট-সংগীত আৰু বড়ো লোক নৃত্যত আগবাঢ়ি যাবলৈ আহ্বান জনায়।

০০০০০

সমাপ্ত